Phone-2332507 & Fax : 0361-2332507

# Assam Fisheries Development Corporation Limited

( A Govt.of Assam Undertaking)

Chachal,V.I.P.Road,Guwahati-781036,email : afdc1977@gmail.com web : wwwminnigam.in

## মুকলি ডাক/নিলামৰ জাননী

অসম মীন উন্নয়ন নিগম লিমিটেডৰ অধীনস্থ ইয়াৰ লগত সংলগ্ন কৰি দিয়া মীনমহলৰ অহা ৩১/০৩/২০১৯ ইং তাৰিখলৈ দৈনিক ভিত্তিত মাছ মৰাৰ বাবে অহা ৮/১১/২০১৮ ইং তাৰিখে মীনমহলসমূহৰ পাৰৰ অনুসূচীত জাতিৰ প্ৰকৃত মাছমৰীয়া ব্যক্তি,দল অথবা মীন সমবায় সমিতিৰ মাজত মুকলি ডাক/নিলামৰ ব্যৱস্থা কৰা হৈছে । উক্ত ডাক/নিলামৰ ব্যৱস্থাত নিম্ন উল্লেখিত চৰ্তাৱলীমতে নিবিদাকাৰীয়ে অংশগ্ৰহন কৰিব পাৰিব ।

চৰ্তাৱলী :

১. ডাক-নিলামত অংশ গ্ৰহনকাৰী মাছমৰীয়া/দল/সমবায় সমিতিসমূহে মীনমহলখনৰ বিপৰীতে নগদ ২,০০০/-(দুই হাজাৰ) টকা নিলামৰ আগতে আমানত ধন হিচাবে জমা দিব লাগিব । জমা দিয়া আমানত ধন নিৰ্ব্বাচিত নোহোৱা ব্যক্তি,দল/সমবায় সমিতিক ডাক/নিলামৰ অন্তত ঘুৰাই দিয়া হ'ব ।

২) নিৰ্ব্বাচিত ব্যক্তি/দল/সমবায় সমিতিয়ে ডাক নিলামৰ অন্তত বিলত মাধ ধৰাত অসন্মতি হ'লে আমানত ধন বাজেয়াপ্ত হ'ব ।

ডাক/নিলামৰ স্থান : নিগমৰ মুখ্য কাৰ্য্যালয় ।

সময় : দুপৰীয়া ১১.০০ বজাৰ পৰা ।

| ক্ৰঃনং | মীনমহলৰ নাম | জিলা | মাটি কালি (হেক্টৰত) | পানী কালি (হেক্টৰত) | বাৰ্ষিক নুন্যতম ৰাজহ | দৈনিক নিৰ্দ্ধাৰিত ৰাজহ |
|---|---|---|---|---|---|---|
| ১. | কুকাৰজান | বৰপেটা | ১১০.০০ | ১১০.০০ | ৩,৬৯,০০০ | ১,৪২৫/- |
| ২. | বৰালী | নলবাৰী | ২৫.০০ | ২০.০০ | ১,২২,০০০ | ৪৭১/- |
| ৩. | জাহাজান | নলবাৰী | ৩.০০ | ৩.০০ | ৮৪,০০০ | ৩২৪/- |
| ৪. | ৰৌৱা | ধুবুৰী | ২৮.০০ | ২৮.০০ | ৪,৪৮,০০০ | ১৭৩০/- |
| ৫. | কামানদাঙ্গী | ধুবুৰী | ২৮.০০ | ২৮.০০ | ৭,৪০,০০০ | ২৮৫৭/- |
| ৬. | ৰুমাই | ডিব্ৰুগড় | ৩৫.০০ | ৩৪.০০ | ১,২৫,০০০ | ৪৮৩/- |
| ৭. | কাৰৈমাৰী দিঘলী | ডিব্ৰুগড় | ১৫.০০ | ১৫.০০ | ১,৪৪,০০০ | ৫৫৬/- |
| ৮. | লাৰুৱা | ডিব্ৰুগড় | ৩০.০০ | ৩০.০০ | ১,৪১,০০০ | ৫৪৪/- |
| ৯. | হাউলী | মাজুলী | ৭.০০ | ৫.০০ | ২৩,০০০ | ১০০/- |
| ১০. | বুৰুক | মাজুলী | ৪২.০০ | ২৬.০০ | ৬৩,০০০ | ২৪৩/- |
| ১১. | জোৰ | মাজুলী | ৮.০০ | ৮.০০ | ৭০,০০০ | ২৭০/- |
| ১২. | ফুলাই দিঘলী | শিৱসাগৰ | ১০.০০ | ১০.০০ | ১,২৬,০০০ | ৪৮৬/- |
| ১৩. | খাৰৈ | শোনিতপুৰ | ১০.০০ | ১০.০০ | ১,০৬,০০০ | ৪০৯/- |
| ১৪. | কাবুগঞ্জ অনোৱা | কাছাৰ | ৪.০০ | ৪.০০ | ৫০,০০০ | ১৯৩/- |
| ১৫. | আঙ্গন | কৰিমগঞ্জ | ২৭.০০ | ২৭.০০ | ৬৬,০০০ | ২৫৫/- |

পৰিচালন সঞ্চালক,
অসম মীন উন্নয়ন নিগম লিঃ, গুৱাহাটী-৩৬ ।

মেমো নং এএফদিচি,১২২/২০১৮/ ৩০৬৬ – ৩০৬৫ তাং ৬/১১/১৮

প্ৰতিলিপি:

১) সভাপতি,অসম মীন উন্নয়ন নিগম লি:,জ্ঞাতাৰ্থে ।

২) ভাৰপ্ৰাপ্ত প্ৰকল্প পৰিচালক/সহঃপৰিচালককৈ ......................................মীনমহল,জ্ঞাতাৰ্থে ও বহুল প্ৰচাৰৰ অৰ্থে ।

৩) শ্ৰী ডি,এচ,পামে,সহঃপৰিচালক,জ্ঞাতাৰ্থে । নিগমৰ ৱেবছাইটত দিব ।

পৰিচালন সঞ্চালক,
অসম মীন উন্নয়ন নিগম লিঃ গুৱাহাটী-৩৬ ।

Scanned by CamScanner

## বিল প্ৰত্যক্ষ পৰিচালনাৰ চৰ্ত্তাৱলীসমূহ ঃ

১। মাছমৰীয়া দলপতিজনে বৃত্তিগত হিচাপে মাছমৰীয়া হব লাগিব । ইয়াৰ বাবে জাতিগত প্ৰমান পত্ৰ আৰু মাছ ধৰাৰ অভিজ্ঞতাৰ প্ৰমান পত্ৰৰ প্ৰতিলিপি আবেদনৰ লগত গাঠি দিব লাগিব ।

২। আবেদনকাৰীয়ে নিজৰ ফটো একপি গাঠি দিব লাগিব ।

৩। দলপতিজন বিলৰ পাৰবাসী/ একে জিলাভূক্ত হব লাগিব ।

৪। নিৰ্ব্বাচিত দলপতিয়ে ধাৰ্য্যিত সমুদায় দৈনিক ৰাজহ এটা কিস্তিত বেংক ড্ৰাফট ৭ (সাত) দিনৰ ভিতৰত জমা দিব লাগিব ।

৫। নিৰ্ব্বাচিত দলপতিজনে মাছৰ উৎপাদনৰ বিতং তথ্য বিলৰ ভাৰপ্ৰাপ্ত পৰিচালকৰ ওচৰত জমা দিব লাগিব । সেইদৰে মাহটোৰ ভিতৰত মাছৰ উৎপাদনৰ তথ্য প্ৰতিবেদন আকাৰত জমা দিয়াটো বাধ্যতামূলক হব ।

৬। কোনো দিনত কোনো কাৰণত মাছ ধৰা কাৰ্য্য বন্ধ ৰাখিব লগীয়া হলে, ইয়াৰ প্ৰকৃত কাৰণ দৰ্শাই ভাৰপ্ৰাপ্ত বিল পৰিচালকজনক অৱগত কৰিব লাগিব । অন্যথা উক্ত দিনৰ ৰাজহ ৰেহাই দিয়া নহব ।

৭। মাছ ধৰাৰ নামত বিলৰ পানী সিচিব নোৱাৰিব আৰু মীন আইনে নিষিদ্ধ কৰা জাল-জৰি ব্যৱহাৰ কৰিব নোৱাৰিব ।

৮। বিলখনত মাছ ধৰোতে নিগমৰ সা-সম্পত্তি ব্যৱহাৰ কৰিব নোৱাৰিব । লগতে মাছ ধৰাৰ নামত মীন মহলখনৰ যি কোনো ধৰণৰ ক্ষতি কৰিব নোৱাৰিব ।

৯। নিগমৰ প্ৰয়োজন অনুসৰি যি কোনো সময়তে এই সাময়িক ব্যৱস্থা বাতিল কৰাৰ অধিকাৰ নিগমৰ থাকিব । লগত এই ছোৱাৰ ভিতৰত বিলখনত নিগমে উন্নয়ন আঁচনি হাতত ললে বাধা দিব নোৱাৰিব ।

১০। ওপৰৰ চৰ্ত্তাৱলীসমূহৰ যিকোনো চৰ্ত্ত ভঙ্গ কৰিলে এই পৰিচালনাৰ নিৰ্দ্দেশ তৎকালেই বাতিল কৰা হব আৰু আমানতৰ ধন বাজেয়াপ্ত কৰি আইনগত ব্যৱস্থা লোৱা হব ।

| | |
|---|---|
| ২য় পক্ষ | ১ম পক্ষ |
| মাছমৰীয়া দলপতিৰ স্বাক্ষৰ ঃ | বিল পৰিচালক/কৰ্তৃত্ব প্ৰাপ্ত বিষয়াৰ স্বাক্ষৰ ঃ |

Scanned by CamScanner